**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মৰ্মুৱে পৰিৱেশৰ প্ৰতি সংবেদনশীল জীৱনশৈলী আঁকোৱালি ল'বলৈ আহ্বান জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব।

৩। ভাৰতে ভূমিকম্পত বেয়াকৈ প্ৰভাৱিত ম্যানমাৰলৈ সাহায্য প্ৰদানৰ উদ্দেশ্যে আজি নিচেই পুৰা ব্ৰহ্মা নামৰ বিশেষ অভিযান আৰম্ভ কৰিছে।

৪। ছত্তিশগড়ৰ ছুকমা জিলাত সুৰক্ষা বাহিনীৰে হোৱা এটা সংঘৰ্ষত কমেও ১৭ জন মাওবাদী নিহত হৈছে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কিছুসময়ৰ পাছত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মৰ্মুৱে পৰিৱেশৰ প্ৰতি সংবেদনশীল জীৱনশৈলী আঁকোৱালি ল'বলৈ আহ্বান জনাইছে। নতুন দিল্লীৰ বিজ্ঞান ভৱনত আজি ৰাষ্ট্ৰীয় পৰিৱেশ সন্মিলন-২০২৫ মুকলি কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে ইয়াৰ ফলত অকল পৰিৱেশ সুৰক্ষিত হোৱাই নহয়, বৰং ই অধিক জীৱন্ত হৈ উঠিব। সজাগতা আৰু সমূহীয়া প্ৰচেষ্টা ভিত্তিক নিৰন্তৰ কাম-কাজৰ মাধ্যমেৰেহে পৰিৱেশৰ সংৰক্ষণ আৰু প্ৰসাৰ সম্ভৱপৰ বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে। তেওঁ কয়, যে ভৱিষ্যৎ প্ৰজন্মক নিকা পৰিৱেশ প্ৰদান কৰাটো আমাৰ নৈতিক দায়িত্ব। তেওঁ লগতে কয়, যে নিকা পৰিৱেশ আৰু অত্যাধুনিক উন্নয়ন প্ৰক্ৰিয়াৰ মাজত ভাৰসাম্য বৰ্তাই ৰখাটো এক প্ৰকাৰৰ সুযোগ আৰু প্ৰত্যাহ্বান। পৰিৱেশ সংৰক্ষণত গুৰুত্ব আৰোপ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে পৰিৱেশৰ শোষণ নহয়, বৰং সংৰক্ষণে ভাৰতীয় বিকাশৰ ঐতিহ্য।

ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে যোৱা এটা দশকত ভাৰতে আন্তঃৰাষ্ট্ৰীয় চুক্তি অনুযায়ী ৰাষ্ট্ৰীয় পৰ্য্যায়ত পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়াইছে আৰু নিৰ্ধাৰিত সময়ৰ পূৰ্বে ঘোষিত লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হৈছে।

এই উপলক্ষে কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে কয়, যে ভাৰতে কাৰ্বন নিৰ্গমণ হ্ৰাস কৰাৰ প্ৰযুক্তি উদ্ভাৱনত গুৰুত্ব আৰোপ কৰি আহিছে আৰু ই বিকাশশীল ৰাষ্ট্ৰসমূহৰ বাবে দ্ৰুত অৰ্থনৈতিক বিকাশ জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ বিৰুদ্ধে যুঁজ দিয়াৰ সৰ্বোত্তম উপায় বুলি বিশ্বাস কৰে। তেওঁ কয়, যে ভাৰত বিশ্বৰ তৃতীয় সৰ্ববৃহৎ নৱীকৰণযোগ্য শক্তি উৎপাদনকাৰী ৰাষ্ট্ৰ আৰু দেশে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট নৱীকৰণযোগ্য শক্তি উৎপাদন ক্ষমতা গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। ভাৰতে অকল কাৰ্বনৰ নিৰ্গমণ হ্ৰাস কৰাতেই গুৰুত্ব আৰোপ কৰা নাই, বৰং সেউজ শক্তিখণ্ডৰ জৰিয়তে লাখ লাখ কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

অনুষ্ঠানত অংশগ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বিক্ৰম নাথে কয়, যে চৰকাৰে চৰকাৰী নীতিসমূহৰ জৰিয়তে সেউজ প্ৰযুক্তিসমূহক উদগনি যোগোৱা উচিত আৰু উদ্যোগ জগত কাৰ্বন নিৰ্গমণ হ্ৰাস কৰাৰ প্ৰতি সজাগ হোৱা উচিত।

ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ অধ্যক্ষ ন্যায়াধীশ প্ৰকাশ শ্ৰীবাস্তৱেও অনুষ্ঠানত অংশ লয়।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চৈত্ৰ শুক্লাদি, উগাডি, গুড়ি পড়ৱা, চেটি চান্দ, নৱৰেহ আৰু চাজিবু চেইৰাওবাৰ প্ৰাক্- সন্ধিয়া দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাযোগে কৈছে, যে বসন্ত ঋতুৰ আগমণৰ সময়ত পালন কৰা এই উৎসৱসমূহ ভাৰতীয় নৱ বৰ্ষৰ শুভাৰম্ভণিৰ প্ৰতীক। তেওঁ কয়, যে এই উৎসৱসমূহে ভাৰতীয় সংস্কৃতিৰ বিবিধতা প্ৰতিফলিত কৰে আৰু সামাজিক একতাৰ এনাজৰী সুদৃঢ় কৰি তোলে। তেওঁ লগতে কয়, যে এই উৎসৱৰ সময়ত জনসাধাৰণে নতুন শস্য বৰ্ষক আদৰণি জনায় আৰু প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। এই উপলক্ষে শ্ৰীমতী মুৰ্মুৱে সম্প্ৰীতি আৰু একতাৰ এনাজৰী সুদৃঢ় কৰিবলৈ আৰু দেশক নতুন শিখৰলৈ লৈ যোৱাৰ উদ্দেশ্যে নতুন উদ্যমেৰে কাম কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে  আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতে অনুষ্ঠানটোৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

00000

ভাৰতে ভূমিকম্পত বেয়াকৈ প্ৰভাৱিত ম্যানমাৰলৈ সাহায্য প্ৰদানৰ উদ্দেশ্যে আজি নিচেই পুৰা ব্ৰহ্মা নামৰ বিশেষ অভিযান আৰম্ভ কৰিছে। নতুন দিল্লীত আজি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বৈদেশিক

পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে ১৫ টন সাহায্য-সামগ্ৰী কঢ়িয়াই নিয়া প্ৰথমখন বিমান আজি পুৱা প্ৰায় ৩ বজাত হিন্দন বায়ু সেনা ঘাটিৰ পৰা উৰা মাৰে আৰু প্ৰায় ৮ বজাত য়াংগুনত অৱতৰণ কৰে। তেওঁ কয়, যে দেশখনত থকা ভাৰতীয় ৰাষ্ট্ৰদূতগৰাকীয়ে এই সামগ্ৰীখিনি গ্ৰহণ কৰে। সামগ্ৰীখিনি ম্যানমাৰৰ বিভিন্ন প্ৰান্তৰ সাহায্যৰ প্ৰয়োজন হোৱা লোকলৈ প্ৰেৰণ কৰা হৈছে। মুখপাত্ৰগৰাকীয়ে কয়, যে সন্ধান আৰু উদ্ধাৰ কৰ্মী আৰু সা-সঁজুলিৰ সৈতে আন দুখন বিমান নে পি তাওলৈ প্ৰেৰণ কৰা হৈছে। এই অভিযানত সহায় আগবঢ়োৱাৰ বাবে ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি বাহিনীৰ এটা দলো প্ৰেৰণ কৰা হৈছে। তেওঁলোক আজি সন্ধিয়াৰ ভাগত নে পি তাওত উপস্থিত হোৱাৰ সম্ভাৱনা আছে। তেওঁলোকক ভূমিকম্পত সৰ্বাধিক ক্ষতিগ্ৰস্ত মাণ্ডলেত নিয়োজিত কৰা হ'ব। শ্ৰীজয়ছোৱালে কয়, যে সাহায্যৰ তৃতীয় খেপত এখন ক্ষেত্ৰ হাস্পতাল প্ৰেৰণ কৰা হ'ব। এই চিকিৎসালয়খনত ১১৮ গৰাকী চিকিৎসক আৰু চিকিৎসা কৰ্মী থাকিব। মুখপাত্ৰগৰাকীয়ে কয়, যে ম্যানমাৰত ৫০-৬০ হাজাৰ ভাৰতীয় লোক আছে আৰু  দেশখনত থকা ভাৰতীয় দূতাবাসে এই লোকসকলৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি আছে। ভূমকিম্পত এতিয়ালৈকে কোনো ভাৰতীয় নাগৰিক নিহত হোৱাৰ বাতৰি পোৱা হোৱা নাই বুলি শ্ৰীজয়ছোৱালে প্ৰকাশ কৰে।

ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি বাহিনীৰ উপ-মহাপৰিদৰ্শক মহচেন শ্বাহিদীয়ে কৈছে, যে পৰৱৰ্তী ২৪ৰ পৰা ৪৮ ঘণ্টা অতিকে গুৰুত্বপূৰ্ণ হ'ব। নৌসেনাৰ কমাণ্ডো ৰঘু নায়াৰে কৈছে, যে এইচ এ ডি আৰ অভিযানৰ বাবে চাৰিখন জাহাজ সাজু কৰি তোলা হৈছে। আই এন এছ্ সাবিত্ৰী আৰু আই এন এছ্ শতপূৰা নামৰ জাহাজ দুখন ইতিমধ্যে ৰাওনা হৈছে আৰু জাহাজ দুখন সোমবাৰে পুৱাৰ ভাগত য়ংগুনত উপস্থিত হ'ব। বস্ত্ৰ, অত্যাৱশ্যকীয় ঔষধ, সা-সামগ্ৰী, চাবোন আৰু ছেনিটাইজাৰসহ প্ৰায় ৫০ টন সাহায্য সামগ্ৰী য়ংগুনলৈ প্ৰেৰণ কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

ছত্তিশগড়ৰ বাস্তাৰ সংমণ্ডলৰ ছুকমা জিলাত আজি সুৰক্ষা বাহিনীৰে হোৱা এটা সংঘৰ্ষত কমেও ১৭ জন মাওবাদী নিহত হয়। নিহতসকলৰ ভিতৰত মাওবাদীৰ ১১ গৰাকী মহিলা সদস্য আছে। এই সংঘৰ্ষত জিলা সংৰক্ষিত বাহিনীৰ দুজন জোৱান আহত হয়। নিহত মাওবাদীকেইজনৰ ভিতৰত এজনক জগদীশ ওৰফে বুধৰা বুলি চিনাক্ত কৰা হৈছে। এই মাওবাদীজনৰ সম্ভেদ দিব পৰা লোকক ২৫ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি পূৰ্বতে ঘোষণা কৰা হৈছিল।  চি আৰ পি এফ আৰু জিলা সংৰক্ষিত বাহিনীৰ এটা যুটীয়া দলে  কেৰলাপালত কেইজনমান মাওবাদীয়ে আত্মগোপন কৰি থকা বুলি সম্ভেদ লাভ কৰাৰ পাছত অঞ্চলটোত নক্সাল বিৰোধী অভিযান আৰম্ভ কৰে। অভিযানকালত দুয়ো পক্ষৰ মাজত গুলিয়াগুলীৰ সূত্ৰপাত হয়। অঞ্চলটোত আজি পুৱাৰে পৰা সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজত চেগাচোৰোকাকৈ গুলিয়াগুলী হৈ আছে। সুৰক্ষা বাহিনীয়ে সংঘৰ্ষস্থলীৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু বিস্ফোৰকসহ ১৭ জন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰে।

ছত্তিশগড়ত যোৱা এটা বছৰত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত কমেও ৪০০ জন মাওবাদী নিহত হৈছে। অকল যোৱা ১০ দিনৰ ভিতৰত ৫০ জন মাওবাদীয়ে সংঘৰ্ষত প্ৰাণ হেৰুৱাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ষষ্ঠ BIMSTEC সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে অহা ৩ এপ্ৰিলত দুদিনীয়া ভ্ৰমণসূচীৰে থাইলেণ্ডলৈ যাব। থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী পেটংটাৰ্ন চীনাৱাট্ৰাৰ আমন্ত্ৰণমৰ্মে শ্ৰীমোদী দেশখনলৈ যাব। নতুন দিল্লীত সাংবাদিকৰ আগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পূবৰ সচিব জয়দীপ মজুমদাৰে কয়, যে এয়া হ'ব প্ৰধানমন্ত্ৰীৰ তৃতীয়টো থাইলেণ্ড ভ্ৰমণ। শ্ৰীমজুমদাৰে কয়, যে ভাৰত আৰু থাইলেণ্ডৰ মাজত ঐতিহাসিক দ্বিপাক্ষিক সম্পৰ্ক আছে। থাইলেণ্ড ভাৰতৰ সামুদ্ৰিক ওচৰ-চুবুৰীয়া দেশ তথা BIMSTEC, এক-ইষ্ট নীতি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীত থাইলেণ্ড ভাৰতৰ অতি গুৰুত্বপূৰ্ণ অংশীদাৰ বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰিব বুলি শ্ৰীমজুমদাৰে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদী এই ভ্ৰমণকালত থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী পেটংটাৰ্ন চীনাৱাট্ৰাৰ সৈতে আলোচনাত মিলিত হ'ব। এইবাৰৰ সন্মিলনত BIMSTEC ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ বিভিন্ন উপায় সন্দৰ্ভত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কিছুসময়ৰ পাছত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৫০ ৰাণত পৰাস্ত কৰে। চেন্নাইয়ে ১৯৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৪৬ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।

ooooo

**সমাপ্ত**